# NSD NEWS BULLETIN

AKASHVANI, GUWAHATI

0000000000

**Date :** 08-05-2024

**Time :** 19.10 hrs

**Assamese Evening Bulletin**

**HEADLINES**

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত কালি দেশৰ ৯৩টা সমষ্টিত ৬৫ দশমিক ৩-৭ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

২। দেশৰ বিভিন্ন প্ৰান্তত পৰৱৰ্তী ৪টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৩। নিৰ্বাচন আয়োগে আজি ৩৫৪ গৰাকী পৰ্যবেক্ষকৰ সৈতে লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলায়।

৪। অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে বিমানৰ যাত্ৰা বাতিল কৰা সন্দৰ্ভত এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ পৰা প্ৰতিবেদন বিচাৰিছে আৰু বিষয়টো শীঘ্ৰে সমাধান কৰিবলৈ নিৰ্দেশ দিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত হায়দৰাবাদত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্নৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

ooooo

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত কালি দেশৰ ৯৩টা সমষ্টিত ৬৫ দশমিক ৩-৭ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত ১০খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৩টা সমষ্টিত ভোটগ্ৰহণ কৰা হয়। তৃতীয় পৰ্যায়ত সামৰি লোৱা ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত অসমত ৮৫ দশমিক ৪-৫ শতাংশ, বিহাৰত ৫৮ দশমিক ৫-০ শতাংশ, ছত্তিশগড়ত প্ৰায় ৭১ দশমিক ৯-৮ শতাংশ, দাদৰা-নগৰ হাভেলি আৰু দমন-দিউত ৭১ দশমিক ৩-১ শতাংশ, গুজৰাটত ৬০ দশমিক ১-৩ শতাংশ, কৰ্ণাটকত ৭১ দশমিক ৭-৮ শতাংশ, গোৱাত ৭৫ দশমিক ২-০ শতাংশ, মধ্যপ্ৰদেশত ৬৬ দশমিক ৭-১ শতাংশ, মহাৰাষ্ট্ৰত ৬১ দশমিক ৪-৪ শতাংশ, উত্তৰ প্ৰদেশত ৫৭ দশমিক ৫-৫ শতাংশ আৰু পশ্চিমবংগত ৭৭ দশমিক ৫-৩ শতাংশ ভোটদান হয়।

তৃতীয় পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰৰ ১১টা, উত্তৰ প্ৰদেশৰ ১০টা, মধ্যপ্ৰদেশৰ ৯টা, ছত্তিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসমৰ ৪টা, পশ্চিমবংগৰ ৪টা, গোৱাৰ দুটা সমষ্টিৰ লগতে কেন্দ্ৰীয় শাসিত

দাদৰা-নগৰ হাভেলি আৰু দমন-ডিউৰ এটাকৈ সমষ্টিক সাঙুৰি লোৱা হয়। তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ লগে লগে দেশৰ ২০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২৮৩টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিল। তৃতীয় পৰ্যায়ত ভোটগ্ৰহণৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্য, বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকা ছত্তিশগড়, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশতো ভোটগ্ৰহণৰ প্ৰক্ৰিয়া সম্পন্ন হয়।

০০০০০

দেশৰ বিভিন্ন প্ৰান্তত পৰৱৰ্তী ৪টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেলেংগানাৰ কৰিমনগৰ লোকসভা সমষ্টিৰ ভেমুল্লাবাড়াত স্থানীয় প্ৰাৰ্থী তথা বিজেপিৰ সাধাৰণ সম্পাদক বান্দি সঞ্জয় কুমাৰৰ হকে এখন জনসভাত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীয়ে বি আৰ এছ আৰু তেলেংগানাৰ কংগ্ৰেছ চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে কংগ্ৰেছৰ পৰিয়াল প্ৰথম নীতিৰ বিপৰীতে বিজেপিয়ে ৰাষ্ট্ৰ প্ৰথম নীতিত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মন্তব্য কৰে।

তেওঁ ৰাৰাংগল লোকসভা সমষ্টিৰ এখন জনসভাত দলীয় প্ৰাৰ্থী আৰুৰী ৰমেশৰ সমৰ্থনত ভাষণ দিয়ে। তেওঁ কয় যে, দেশে দেহৰ বৰণৰ আধাৰত কোনো লোকৰ অপমান সহ্য নকৰে। তেওঁ কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিমহা ৰাওক লৈ কংগ্ৰেছক সমালোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, বিজেপিয়ে ৰাষ্ট্ৰ প্ৰথম নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি অহাৰ বিপৰীতে কংগ্ৰেছে পৰিয়ালকেন্দ্ৰিক শাসনৰ ওপৰত গুৰুত্ব দিয়ে। প্ৰধানমন্ত্ৰীয়ে তেলেংগানাৰ জনসাধাৰণক বিকাশৰ লক্ষ্যৰে ভোটদান কৰিবলৈ আহ্বান জনায়।

কংগ্ৰেছ চৰকাৰে কালেশ্বৰম জলসিঞ্চন প্ৰকল্পৰ কেলেংকাৰীত জড়িত বি আৰ এছ কৰ্মীসকলক ৰক্ষণাবেক্ষণ দিয়া বুলি প্ৰধানমন্ত্ৰীয়ে অভিযোগ তোলে। তেওঁ লগতে যিবোৰ ৰাজ্যত কংগ্ৰেছ আৰু আই এন ডি মিত্ৰজোটৰ সহযোগীসকলে চৰকাৰ গঠন কৰিছে। যাতে ৰাজ্যখনক এ টি এমলৈ পৰিৱৰ্তন কৰিছে বুলি অভিযোগ উত্থাপন কৰে।

ইয়াৰ পাছতে শ্ৰীমোদীয়ে অন্ধ্ৰপ্ৰদেশৰ ৰাজমপেটত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে ৰাওনা হয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি গৃহৰাজ্য হিমাচল প্ৰদেশত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। শ্ৰীনাড্ডাই মান্দি জিলাৰ দিয়াৰ্গি ছেগলি গাঁও পঞ্চায়তৰ কোট বাগীত এখন ৰাজহুৱা সভাত অংশ লয়। ইপিনে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশৰ লখিমপুৰ খেৰি, হাৰদৈ আৰু কন্নৌজ জিলাত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰত অংশ লয়। তেওঁ লখিমপুৰ খেৰিৰ পৰা প্ৰতিদ্বন্দিতা কৰা দলৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী অজয় মিশ্ৰৰ হকে ভোটদান কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। তেওঁ কয় যে এইবাৰৰ নিৰ্বাচন নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী আসনত অলংকৃত কৰাৰ নিৰ্বাচনেই নহয় বৰং কেন্দ্ৰীয় চৰকাৰৰ কল্যাণমূলক আঁচনিসমূহ অব্যাহত ৰখাৰ নিৰ্বাচন। আনহাতে বিজেপিৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কানপুৰ, এতা আৰু শ্বাহজাহানপুৰ জিলাৰ প্ৰচাৰৰ ভাগ লয়।

বিৰোধী কংগ্ৰেছ দলৰ লগতে অন্যান্য ৰাজনৈতিক দলসমূহেও প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ৰাড্ৰাই আজি উত্তৰ প্ৰদেশৰ ৰায়বেৰেলীত এটা সমাবেশত অংশগ্ৰহণ কৰে। জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণত তেওঁ ন্যায় আৰু সুশাসনৰ বাবে কংগ্ৰেছ দলক জয়ী কৰাবলৈ আহ্বান জনায়। বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লৈ নেত্ৰীগৰাকীয়ে কয় যে, গেৰুৱা দলটোৱে জনসাধাৰণক বিপথে পৰিচালিত কৰিছে আৰু

তেওঁৰ দল ক্ষমতালৈ আহিলে আশাকৰ্মী, অঙ্গনবাড়ী কৰ্মী আৰু এম জি এনৰেগা কৰ্মীৰ পাৰিশ্ৰমিক দুগুণলৈ বৃদ্ধি কৰা হ'ব। ইপিনে, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে আজি শ্বাহজাহানপুৰত দলীয় প্ৰাৰ্থীৰ হ'কে নিৰ্বাচনী সভাত অংশ লয়। বিজেপিক সমালোচনা কৰি নেতাগৰাকীয়ে কয় যে, দলটোৱে ভুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰি আহিছে। পাছত তেওঁ ফাৰুখাবাদত এখন জনসভাক সম্বোধন কৰে।

ooooo

নিৰ্বাচন আয়োগে আজি ৩৫৪ গৰাকী পৰ্যবেক্ষকৰ সৈতে লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলায়। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অনুষ্ঠিত এই বৈঠকত মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে পৰ্যবেক্ষকসকলক ১৩ মে'ত হ'বলগীয়া চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচন মুক্ত, নিকা আৰু সুকলমে অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে ভোটগ্ৰহণ কেন্দ্ৰসমূহত সকলো ধৰণৰ সুবিধা বিশেষকৈ গ্ৰীষ্ম প্ৰবাহৰ সন্মুখীন হোৱাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰিবলৈ পৰ্যবেক্ষকসকলক কয়।

ooooo

অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে বিমানৰ যাত্ৰা বাতিল কৰা সন্দৰ্ভত এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ পৰা প্ৰতিবেদন বিচাৰিছে আৰু বিষয়টো শীঘ্ৰে সমাধান কৰিবলৈ নিৰ্দেশ দিছে। মন্ত্ৰালয়ে লগতে এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছক অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ৰ নিয়ম অনুসৰি যাত্ৰীসকলৰ বাবে সুবিধা সুনিশ্চিত কৰিবলৈ কৈছে। ইয়াৰ পূৰ্বে চালক দলৰ জ্যেষ্ঠ সদস্যসকলে জাননী নিদিয়াকৈ সমূহীয়াভাৱে অসুস্থতাৰ ছুটি লোৱাৰ বাবে এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ কেইবাখনো বিমানৰ যাত্ৰা বাতিল কৰা হৈছে।

ooooo

বিজেপিয়ে ভাৰতীয় সন্দৰ্ভত কৰা আপত্তিজনক মন্তব্যৰ বাবে কংগ্ৰেছ নেতা ছেম পিত্ৰোদাক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত বিজেপিৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কয় যে, শ্ৰীপিত্ৰোদাই ভাৰতীয় সংস্কৃতি আৰু পৰিচয়ৰ লগতে দেশৰ জনসাধাৰণক অপমান কৰিছে। তেওঁ কয়যে লোকসভা নিৰ্বাচন আগবঢ়াৰ লগে লগে কংগ্ৰেছৰ স্বৰূপ পোহৰলৈ আহিছে। কংগ্ৰেছৰ আদৰ্শই জনসাধাৰণক ভাগ ভাগ কৰা বুলি শ্ৰীত্ৰিবেদিয়ে অভিযোগ উত্থাপন কৰে। দলৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰে শ্ৰীপিত্ৰোদাৰ মন্তব্যই কংগ্ৰেছৰ মানসিকতা উদঙাই দিছে বুলি অভিযোগ তোলে।

ইয়াৰ পূৰ্বে শ্ৰীপিত্ৰোদাই দেশৰ বিভিন্ন অংশৰ লোকসকলক চীনা, আফ্ৰিকীয়, আৰৱ আৰু শ্বেতাংগসকলকৰ সৈতে তুলনা কৰিছে। ইপিনে, কংগ্ৰেছে শ্ৰীপিত্ৰোদাৰ মন্তব্যৰ পৰা দলক আঁতৰাই আনিছে। কংগ্ৰেছে কৈছে যে, দেশৰ বিবিধতাৰ ব্যাখ্যা আগবঢ়োৱাৰ বাবে শ্ৰীপিত্ৰোদাই যিধৰণৰ উদাহৰণ দাঙি ধৰিছে সেয়া সচাঁকৈ দুৰ্ভাগ্যজনক আৰু অনস্বীকাৰ্য। দলৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে সামাজিক মাধ্যমযোগে কৈছে যে, কংগ্ৰেছে এনেধৰণৰ মন্তব্যৰ পৰা নিজকে আঁতৰাই আনিছে।

ooooo

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ৰ বাবে মুঠ এহেজাৰ ৫৮৬ খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল আৰু পৰীক্ষাৰ অন্তত ৭৪৯ খন মনোনয়ন বৈধ বুলি বিবেচিত হৈছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশৰ

১৪ খন, মহাৰাষ্ট্ৰৰ ১৩ খন, পশ্চিমবংগৰ ৭খন, বিহাৰ আৰু ওড়িশাৰ ৫ খনকৈ, ঝাৰখণ্ডৰ তিনিখন, আৰু জম্মু কাশ্মীৰ তথা লাডাখত এখনকৈ আসনৰ বাবে ২০ মে'ত ভোটগ্ৰহণ কৰা হব।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেত্ৰী তথা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহক খণ্ড বিখণ্ড কৰা বুলি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কৰা অভিযোগ খণ্ডন কৰে। শ্ৰীগান্ধীয়ে উত্থাপন কৰা অভিযোগৰ উত্তৰ দি শ্ৰীমতী সীতাৰমণে আজি সামাজিক মাধ্যমযোগে আজি কয় যে, নৰেন্দ্ৰ মোদী চৰকাৰৰ অধীনত ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহে সমৃদ্ধি লাভ কৰিছে। তেওঁ লগতে কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ অধীনত ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহৰ ক্ষতি হোৱা বুলি অভিযোগ তোলে। তেওঁ কয় যে বৰ্তমান চৰকাৰে মূলধনী বিনিয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ বাবে ষ্টক বজাৰত কোম্পানীসমূহৰ প্ৰদৰ্শন উন্নত হৈছে। চৰকাৰে ৰেলৱে, পথ, শক্তি, ধাতু, নিৰ্মাণ, আৰু গধুৰ আহিলাপাতি নিৰ্মাণৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ বাবে ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহ প্ৰত্যক্ষভাৱে উপকৃত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

ইপিনে, দেলহি কেপিটেলছে যোৱানিশা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছক ২০ ৰানত পৰাস্ত কৰে। খেলখনত দিল্লীয়ে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ২২১ ৰান কৰে।

প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ২০১ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

সমাপ্ত